# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 13-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

গুজৰাটৰ আহমেদাবাদত হোৱা প্ৰাণনাশক বিমান দুৰ্ঘটনাৰ তদন্ত অব্যাহত আছে। ফৰেনচিক বিশেষজ্ঞৰ দলে আজি দুৰ্ঘটনাস্থলীত তন্ন তন্নকৈ সকলোবোৰ দিশ পৰীক্ষা কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, সেই স্থানৰ পৰা এটা ব্লেকবক্স উদ্ধাৰ কৰা হৈছে। ইয়াৰ পূৰ্বে এয়াৰ ট্ৰেফিক সেৱা অৰ্থাৎ এ টি এছৰ দলে বিমান দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ পৰা এটা ডিজিটেল ভিডিঅ' ৰেকৰ্ডাৰ উদ্ধাৰ কৰে। দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। এই দুৰ্ঘটনাৰ পাছতে কাষৰীয়া অঞ্চলসমূহৰ কেইবাজনো লোক সন্ধানহীন হৈ থকাৰ তথ্য পোৱা গৈছে। সম্প্ৰতি তেওঁলোকৰ সন্ধানতো অভিযান অব্যাহত আছে। আমাৰ সংবাদদাতাই জনোৱা মতে, ৭ টাতকৈ অধিক মৃতদেহ পৰিয়ালৰ সদস্যসকলক গটাই দিয়া হৈছে আৰু ২০০ তকৈ অধিক ডি এন এৰ নমুনা মৃতদেহ চিনাক্তকৰণৰ বাবে সংগ্ৰহ কৰা হৈছে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ধুবুৰী চহৰৰ আইন-শৃংখলা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি অটুট ৰখাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে সন্ধিয়া আৰু নিশাৰ ভাগত দুষ্কৃতিকাৰীক দেখা মাত্ৰকে গুলিওৱাৰ আনুষ্ঠানিক নিৰ্দেশ জাৰি কৰে। ধুবুৰীৰ আৱৰ্ত ভৱনত জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে জিলাখনৰ আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কালত আজি মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ জাৰি কৰে। বিগত কেইবাদিনো ধৰি ধুবুৰীৰ পৰিস্থিতি অশান্ত হৈ থকাৰ পৰিপ্ৰেক্ষিতত ডং শৰ্মা আজি দুপৰীয়াৰ ভাগত ধুবুৰীত উপস্থিত হয়। ধুবুৰীলৈ শীঘ্ৰে ৰেপিড এক্সন ফোৰ্চ আৰু কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ অতিৰিক্ত বেটেলিয়ান পঠিওৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ধুবুৰী ভ্ৰমণৰ সময়ত তেওঁ সৰ্বসাধাৰণ ৰাইজৰ সৈতেও মত বিনিময় কৰি জিলাখনলৈ শীঘ্ৰে স্বাভাৱিক অৱস্থা ঘূৰাই অনা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰীয়ে আজি ধুবুৰীৰ হনুমান মন্দিৰলৈকো যায় আৰু মন্দিৰ চৌহদৰ ভিতৰত যাতে কোনো অবাঞ্চনীয় ঘটনা ঘটিব নোৱাৰে সেয়া সুনিশ্চিত কৰা হ'ব বুলি মন্দিৰ কৰ্তৃপক্ষক আশ্বাস দিয়ে।

০০০০

বড়ো জনগোষ্ঠীৰ বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত জিলিকাই তোলাৰ বাবে অসম চৰকাৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিহু আৰু ঝুমইৰ দৰে বাগৰুম্বা নৃত্য প্ৰদৰ্শন সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই লোকসেৱা ভৱনত সাংস্কৃতিক পৰিক্ৰমা বিভাগ, বড়ো সাহিত্য সভা, সদৌ বড়ো ছাত্ৰ সন্থা, দুলাৰায় বড়ো হৰিমুৱা আফাত আৰু দুলাৰায় বাথৌ গৌথুমৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত

বিশেষজ্ঞ সমিতি, মুখ্য প্ৰশিক্ষক, নৃত্য দল বাচনি, সমষ্টিভিত্তিক কৰ্মশালা আৰু গুৱাহাটীত হ'বলগীয়া চূড়ান্ত অনুশীলনকে ধৰি সকলোবোৰ বিষয় বিতংভাৱে আলোচনা কৰা হয়। এই অনুষ্ঠান যাতে নিয়াৰিকৈ অনুষ্ঠিত কৰিব পাৰি তাৰ বাবে আৰম্ভণিৰ পৰাই এই দিশত মনোনিবেশ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

০০০০

অসম চৰকাৰে লাচিত বৰফুকনৰ বীৰত্বপূৰ্ণ জীৱনগাথা সমগ্ৰ দেশতে প্ৰচাৰৰ বাবে দেশৰ ৪৫ হাজাৰ পুথিভঁড়াললৈ মহাবীৰ লাচিত বৰফুকন শীৰ্ষক এখনি গ্ৰন্থ প্ৰেৰণ কৰিছে। এই সন্দৰ্ভত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি  লাচিত বৰফুকনৰ জীৱন সন্দৰ্ভত এখন গ্ৰন্থ ৰচনা কৰি ভাৰতৰ সংবিধান স্বীকৃত আটাইকেইটা ভাষালৈ অনুবাদ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰকাশন পৰিষদক দায়িত্ব অৰ্পন কৰিছিল। সেই অনুসৰি বিশিষ্ট লেখক অৰূপ কুমাৰ দত্তক গ্ৰন্থখন ৰচনাৰ দায়িত্ব দিয়া হয়। শ্ৰী দত্তই ৰচনা কৰা **আচামছ্ ব্ৰেভহাৰ্ট লাচিত বৰফুকন** নামৰ মূল গ্ৰন্থখনৰ পৰা মুঠ ২৪ টা ভাষালৈ ইয়াক অনুবাদ কৰা হয়। দেশৰ কেইবাখনো আগশাৰীৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে তেওঁলোকৰ পুথিভঁড়ালৰ গুৰুত্বপূৰ্ণ গ্ৰন্থৰ তালিকাত এই গ্ৰন্থখনো ৰাখিছে বুলি অসম প্ৰকাশন পৰিষদৰ সচিবগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

গুৱাহাটী মহানগৰীক বানমুক্ত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে শেহতীয়াকৈ এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি কালত ৰাজ্য চৰকাৰে এই পদক্ষেপসমূহ শপতনামা ৰূপত ন্যায়ালয়ত দাখিল কৰে। ৰাজ্য চৰকাৰৰ হৈ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অতিৰিক্ত সচিব আল আজাহাৰ আলীয়ে দাখিল কৰা শপতনামাত সন্নিবিষ্ট তথ্য অনুসৰি মহানগৰীৰ মাজেৰে বৈ যোৱা বাহিনী নৈৰ খনন আৰু সংৰক্ষণৰ বাবে ১৮৩ কোটি টকাৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। ইতিমধ্যে প্ৰস্তাৱিত প্ৰকল্প ব্যয়সহ বিস্তৃত প্ৰতিবেদন এছিয়ান ডেভেলপমেণ্ট বেংকত দাখিল কৰা হৈছে। এই প্ৰকল্পৰ অধীনত গ্ৰহণ কৰা আন কেইবাটাও পদক্ষেপৰ ভিতৰত মেঘালয়ৰ পৰা নামি অহা পানীৰ ঢল ৰাষ্ট্ৰীয় ঘাইপথৰ কাষেৰে পামহী নদীলৈ বোৱাই নিয়াৰ পৰিকল্পনা কৰা হৈছে।

০০০০

গুৱাহাটীকে ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত চলি থকা অতিপাত গৰম আৰু আৰ্দ্ৰ পৰিবেশৰ পৰা ৰাইজে পৰৱৰ্তী ৪৮ ঘণ্টাত কিছু  সকাহ পোৱাৰ সম্ভাৱনা আছে। বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা অনুসৰি আজি নিশাৰ ভাগলৈ গুৱাহাটী আৰু উপকণ্ঠ অঞ্চলত গাজনি ধেৰেকনিৰে মজলীয়া ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। দেওবাৰৰ পৰা ৰাজ্যখনৰ বিভিন্ন অঞ্চলত কেইবাদিনো ধৰি বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰৰ আগলি বতৰাত কোৱা হৈছে।

ইপিনে, তিনিচুকীয়া জিলাৰ ডুমডুমাৰ তাৰা চাহ বাগিছাত প্ৰচণ্ড গৰমৰ বাবে চাহ বাগিছাত কাম কৰি থকাৰ সময়তে এজন শ্ৰমিকৰ মৃত্যু হয়। নতুনকৈ ৰোপণ কৰা চাহ বাগিছাৰ কাম কৰি থাকোতেই ঢলি পৰা শ্ৰমিকজনৰ ততালিকে বাগিছাৰ চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। মৃত লোকজন চুনু চোৰেণ বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০